# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু ৰাজস্থানলৈ যাব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইল অভিমুখে ৰাওণা হ'ব।

৩। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত পৰ্যটন নেতৃত্ব শীৰ্ষ সন্মিলন-২০২৬ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

৪। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে এখন শুদ্ধ ভোটাৰ তালিকা যিকোনো গণতন্ত্ৰৰ বাবে মূল আধাৰ বুলি মত প্ৰকাশ কৰিছে।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-টুৰ এখন খেলত আজি পাকিস্তান ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চাৰিদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু ৰাজস্থানলৈ যাব। ভ্ৰমণৰ প্ৰথম দিনা আজি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু মহাৰাষ্ট্ৰলৈ যাব। তেওঁ মুম্বাইৰ লোকভৱনত পি ডি হিন্দুজা চিকিৎসালয়ে আয়োজন কৰা **জীৱন ৰক্ষা আৰু সুস্বাস্থ্য ভাৰত গঢ়া** শীৰ্ষক ৰাষ্ট্ৰীয় অভিযান মুকলি কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ শ্বেগাঁৱৰ বুলধানাত কেন্দ্ৰীয় আয়ুষ মন্ত্ৰালয়ে আয়োজন কৰা ৰাষ্ট্ৰীয় আৰোগ্য মেলা ২০২৬ত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে নাগপুৰত ব্ৰহ্মকুমাৰীয়ে আয়োজন কৰা একতা আৰু বিশ্বাসেৰে গঢ়া মহাৰাষ্ট্ৰ সোণালী যুগ শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানতো ভাগ ল'ব।

বৃহস্পতিবাৰে শ্ৰীমতী মুৰ্মুৱে জামছেদপুৰৰ শ্ৰীজগন্নাথ আধ্যাত্মিক আৰু সাংস্কৃতিক ন্যাসে আয়োজন কৰা শ্ৰীজগন্নাথ মন্দিৰৰ ভূমিপূজন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ জামছেদপুৰৰ মনিপাল টাটা চিকিৎসা মহাবিদ্যালয়লৈ যাব আৰু শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব। অহা শুকুৰবাৰে শ্ৰীমতী মুৰ্মু ৰাজস্থানৰ পোখৰাণত ভাৰতীয় বায়ুসেনাৰ **বায়ুশক্তি** অনুশীলন কাৰ্যসূচীতো ভাগ ল'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ইজৰাইল অভিমুখে ৰাওণা হ'ব। এই ভ্ৰমণসূচীৰ আৰম্ভণিতে তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী নেতানয়াহুৰ সৈতে টেল আভিভত বিভিন্ন বিষয় লৈ আলোচনাত অংশগ্ৰহণ কৰিব। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত প্ৰধানমন্ত্ৰী মোডীৰ উপস্থিতিত জেৰুজালেমত এলানি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইজৰাইলত থকা ভাৰতৰ ৰাষ্ট্ৰদূত জে পি সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ইজৰাইল ভ্ৰমণক ঐতিহাসিক বুলি

অভিহিত কৰিছে। জেৰুজালেমত আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথোপকথনক শ্ৰীসিঙে কয়, যে সন্ত্ৰাসবাদৰ বিষয়ক লৈ ভাৰত আৰু ইজৰাইলে একেটা শাৰীতে অৱস্থান গ্ৰহণ কৰিছে। যিকোনো সংকট উদ্ভৱ হোৱাৰ সময়ত দুয়োখন দেশেই পৰস্পৰৰ কাষত থিয় দি আহিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

ইয়াৰপূৰ্বে ২০১৭ বৰ্ষত প্ৰধানমন্ত্ৰী মোডীয়ে ইজৰাইল ভ্ৰমণ কৰাৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বুনিয়াদ ৰচনা কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এতিয়া এই কৌশলগত সম্পৰ্কক দৃঢ়তৰ কৰি তোলাৰ লগতে এটা নতুন পৰ্যায়ত উপনীত কৰোৱাৰ সময় উপস্থিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ এই ভ্ৰমণৰ সময়ছোৱাত দুয়োগৰাকীৰ নেতাৰ মাজত হোৱা আলোচনাৰ পৰৱৰ্তী পৰ্যায়ত ভাৰত আৰু ইজৰাইলৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ৰাষ্ট্ৰদূতগৰাকীয়ে প্ৰকাশ কৰা মতে, প্ৰধানমন্ত্ৰী দুগৰাকীৰ মাজৰ আলোচনাত উদ্ভাৱন, বিজ্ঞান আৰু প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা আদিৰ দৰে বিষয়সমূহে স্থান লাভ কৰিব।

000000000

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত পৰ্যটন নেতৃত্ব শীৰ্ষ সন্মিলন-২০২৬ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আমেৰিকা-ভাৰত কৌশলগত সহযোগিতা মঞ্চ, ইউ এছ্ আই এছ্ পি এফৰ উদ্যোগত আয়োজিত এই শীৰ্ষ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ পৰ্যটন কেৱল এটা উদ্যোগেই নহয় বুলি মত প্ৰকাশ কৰি ইয়াক দুটা সংস্কৃতিৰ মাজত সেঁতু আৰু অৰ্থনৈতিক সুযোগ-সুবিধাৰ চালিকা শক্তি বুলি অভিহিত কৰে। পৰ্যটকসকলে দেশ-বিদেশ ভ্ৰমণ কৰাৰ সময়ত সংস্কৃতি, ঐতিহ্য, পৰস্পৰৰ মাজৰ অৰ্থপূৰ্ণ সংযোগ আদি সন্ধান কৰে বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে পৰ্যটন হ'ল কৰ্মসংস্থাপনৰ এবিধ অন্যতম প্ৰধান উৎস। পৰ্যটন খণ্ডৰ সামগ্ৰিক তথা দীৰ্ঘস্থায়ী উন্নয়ন সাধনৰ স্বাৰ্থত দক্ষতা, উদ্যমিতা আৰু মহিলা নেতৃত্বাধীন উদ্যোগ প্ৰতিষ্ঠানৰ প্ৰতি গুৰুত্ব আৰোপ কৰা উচিত বুলি তেওঁ মত প্ৰকাশ কৰে।

000000000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জে জয়াললিতাৰ জন্মদিনত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰয়াত নেত্ৰীগৰাকীক অসামান্য নেত্ৰী বুলি অভিহিত কৰি কয়, যে তামিলনাডুৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত অনুপম দৃষ্টান্ত এৰি থৈ গৈছে। উচৰ্গাৰ মনোভাৱ আৰু প্ৰশাসনীয় দক্ষতাৰে প্ৰয়াত নেত্ৰীগৰাকীয়ে ৰাজ্যখনৰ মহিলাৰ সৱলীকৰণ, দুখীয়া শ্ৰেণীৰ লোকৰ উন্নয়ন সাধন আৰু সৰ্বাত্মক উন্নয়নৰ বাবে কাম কৰিছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তামিলনাডুৰ উন্নতি আৰু সমৃদ্ধিত প্ৰয়াত নেত্ৰীগৰাকীয়ে আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত জয়াললিতাৰ জন্মদিনত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে প্ৰয়াত নেত্ৰী জয়াললিতাই অনন্য নেতৃত্ব আৰু তুলনাবিহীন প্ৰশাসনীয় দক্ষতাৰে অগণন মানুহৰ মন আৰু হৃদয়ত স্থান লাভ কৰিছে। প্ৰৱল ধৈৰ্য আৰু দৃঢ়তাৰে জয়াললিতাই জীৱনৰ যাত্ৰাপথ অতিক্ৰম কৰিছিল বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে তামিলনাডুৰ মুখ্যমন্ত্ৰী হিচাপে প্ৰয়াত নেত্ৰীগৰাকীয়ে ৰাজ্যখনৰ মহিলা সৱলীকৰণ, সামাজিক ন্যায় প্ৰতিষ্ঠা আৰু সৰ্বাত্মক উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰয়াত নেত্ৰীগৰাকীৰ সৈতে থকা তেওঁৰ সম্পৰ্কৰ কথা সোঁৱৰণ কৰি কয়, যে জয়াললিতা একে সময়তে দয়াশীল আৰু সিদ্ধান্ত গ্ৰহণত অটল আছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জয়াললিতাৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে জনসাধাৰণৰ কল্যাণ আৰু দুখীয়া মহিলাসকলক সবল কৰি তোলাৰ জৰিয়তে প্ৰয়াত নেত্ৰীগৰাকীয়ে তামিলনাডুৰ উন্নয়নত নতুন ৰূপ দিছিল। প্ৰশাসন যন্ত্ৰই সমাজৰ প্ৰান্তীয় লোকজনকো ঢুকি পোৱাৰ ব্যৱস্থা তেওঁ কৰিছিল। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে জনসাধাৰণৰ সেৱাৰ প্ৰতি জয়াললিতাৰ উচৰ্গাৰ মনোভাৱে প্ৰজন্মৰ পাছত প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব।

কেন্দ্ৰীয় তথ্য আৰু প্ৰযুক্তি ৰাজ্য মন্ত্ৰী ড° এল মুৰুগানে তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জয়াললিতাৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তামিলনাডুৰ উন্নয়নৰ বাবে প্ৰয়াত নেত্ৰীগৰাকীয়ে গ্ৰহণ কৰা প্ৰয়াসৰ কথা উল্লেখ কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° মুৰুগানে কয়, যে প্ৰয়াত নেত্ৰীগৰাকীয়ে ৰাজ্যখনৰ মহিলাৰ কল্যাণ শিক্ষা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

ooooooooo

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে এখন শুদ্ধ ভোটাৰ তালিকা যিকোনো গণতন্ত্ৰৰ বাবে মূল আধাৰ বুলি মত প্ৰকাশ কৰিছে।

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অনুষ্ঠিত ভাৰতৰ নিৰ্বাচন আয়োগ আৰু ভিন ভিন ৰাজ্যৰ নিৰ্বাচন আয়ুক্তসকলৰ মাজৰ ষষ্ঠ ৰাষ্ট্ৰীয় ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰি তেওঁ এইদৰে মত প্ৰকাশ কৰে। ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণৰ বিষয় উল্লেখ কৰি শ্ৰীকুমাৰে কয়, যে যোগ্যতাসম্পন্ন প্ৰতিগৰাকী ভোটদাতাৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱা আৰু অযোগ্য লোকসকলৰ নাম তালিকাৰ পৰা বাদ পৰাটো অতিশয় প্ৰয়োজনীয়। বিহাৰত আৰম্ভ হোৱা এই প্ৰক্ৰিয়া পৰৱৰ্তী সময়ত দেশৰ ১২খন ৰাজ্যত কাৰ্যকৰী হোৱা বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে ইতিমধ্যে ইয়াৰে ১১খন ৰাজ্যত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাইছে।

উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে আয়োজন কৰা এই বৈঠক ২৭ বছৰৰ পাছত অনুষ্ঠিত হৈছে। ইয়াৰ পূৰ্বে ১৯৯৯ চনত এই ঘূৰণীয়া মেজমেলৰ আয়োজন কৰা হৈছিল।

ooooooooo

দিল্লীত অৰুণাচল প্ৰদেশৰ মহিলাৰ বিৰুদ্ধে শেহতীয়াকৈ সংঘটিত জাতি বিদ্বেষী আচৰণৰ ঘটনাক ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং গোলেই গৰিহণা দিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীগোলেই এই ঘটনাক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰি কয়, যে এনে ধৰণৰ ঘটনাৰ বাবেই মৰ্যাদা আৰু পাৰস্পৰিক শ্ৰদ্ধা বৃদ্ধি কৰাৰ হকে পদক্ষেপ গ্ৰহণৰ গুৰুত্ব বাঢ়ি আহিছে। উত্তৰ পূৰ্বাঞ্চল দেশখনৰ অভিন্ন অংগ বুলি মত প্ৰকাশ কৰি তেওঁ কয়, যে সমমৰ্যাদা আৰু শ্ৰদ্ধা লাভ কৰাটো এই অঞ্চলৰ নাগৰিকসকলৰ প্ৰাপ্য। এই বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ সংশ্লিষ্ট সকলো পক্ষকে আহ্বান জনায়।

ooooooooo

ঝাৰখণ্ডত কালি সন্ধিয়া চত্ৰ জিলাৰ ছিমাৰিয়াৰ সমীপত ভাৰাত লোৱা এখন এয়াৰ এম্বুলেঞ্চ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত সাতজন লোকৰ মৃত্যু হয়। ৰাঁচী বিমানবন্দৰৰ পৰা সন্ধিয়া ৭ বাজি ১০ মিনিটত যাত্ৰা আৰম্ভ কৰা বিমানখনৰ সৈতে প্ৰায় ৭ বাজি ৩৪ মিনিটত সংযোগ বিচ্ছিন্ন হোৱা বুলি জানিবলৈ দি বিমান বন্দৰৰ নিয়ন্ত্ৰণ বিভাগে জনোৱা মতে ইয়াৰ পাছতে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনাটোৰ পাছত দুৰ্ভগীয়া লোক কেইজনৰ মৃতদেহ কেইটা মৰোণোত্তৰ পৰীক্ষাৰ বাবে চত্ৰ সদৰ

চিকিতসালয়লৈ নিয়া হয়। পাছত সেই স্থানত ৰাজ্যখনৰ স্বাস্থ্যমন্ত্ৰী ডাঃ ইৰফান আনছাৰী, সাংসদ কালিচৰণ সিঙৰ লগতে প্ৰশাসন আৰু আৰক্ষী বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত হৈ পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

০০০০০

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে অধিষ্ঠিত হোৱা ৰব্ জেটেনক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু নেডাৰলেণ্ডৰ মাজত বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক অব্যাহত আছে। দুয়োদেশৰ জনসাধাৰণ আৰু দ্বিপাক্ষিক সম্পৰ্ক আৰু অধিক উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ সৈতে একেলগে কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে।

০০০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-টুৰ এখন খেলত আজি পাকিস্তান ইংলেণ্ডৰ মুখামুখি হ'ব। শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-ৱানৰ এখন খেলত ৱেষ্ট ইণ্ডিজে জিম্বাব'ৱেক ১০৭ ৰানত পৰাস্ত কৰে। টছত জিকি জিম্বাব'ৱেই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেট ধৰি ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৫৪ ৰান কৰে। প্ৰত্যুত্তৰত জিম্বাব'ৱেই ১৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্বিমৰন হেটমেয়ৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০০০০

সমাপ্ত